জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩২১/২০২২**

# যশস্বী চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২৮ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যশস্বী চিত্ৰশিল্পী তথা ২০২১ চনৰ অসম চৰকাৰৰ 'অসম সৌৰভ' বঁটা প্ৰাপক নীলপৱন বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে।

এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কলাৰ নিৰলস সাধনাৰে বিগত কেইবা দশকধৰি স্বনামধন্য শিল্পীগৰাকীয়ে অকল ৰাজ্যৰ চিত্ৰশিল্পৰ জগতখনকেই নহয়, সামগ্ৰিকভাৱে কলাৰ ক্ষেত্ৰখনকে সমৃদ্ধ কৰি আহিছিল। নীলপৱন বৰুৱাৰ প্ৰয়াণত ৰাজ্যখনে এগৰাকী কলাৰ একনিষ্ঠ সাধক তথা এগৰাকী বৰেণ্য ব্যক্তিত্বক হেৰুৱালে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ লগতে কয় যে খ্যাতনামা চিত্ৰশিল্পীগৰাকীৰ বিয়োগ এক অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে বৰেণ্য শিল্পীগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে।

**নিঃকুঃদাঃ**
**২৮/১০/২০২২**